# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি ডিব্ৰুগড়ত অসম মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হৈছে। ডিব্ৰুগড় নগৰৰ মাইজানৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত অনুষ্ঠিত এই বৈঠকত ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা সম্পৰ্কত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। এই বৈঠকত ভাগ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি বিয়লিৰ ভাগত ডিব্ৰুগড়ত উপস্থিত হয়। আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনোৱা মতে ডিব্ৰুগড়ত দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ আজিৰ এই বৈঠক বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কাইলৈ পিছবেলা হ'বলগীয়া গণিত বিষয়ৰ পৰীক্ষা অনিবাৰ্য কাৰণবশত পিছুৱাই দিয়া হৈছে। শিক্ষা পৰিষদৰ দ্বিতীয় মণ্ডলৰ পৰীক্ষা নিয়ন্ত্ৰকে জনোৱা মতে এই বিষয়ৰ পৰীক্ষাৰ দিন পাছত ঘোষণা কৰা হ'ব। পৰিষদৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে আমাৰ বিশেষ সংবাদদাতাক জনোৱা মতে এটা পৰীক্ষা কেন্দ্ৰত প্ৰশ্নকাকত ফাদিল হোৱাৰ বিষয়ে সন্দেহ পোৱাৰ পৰিপ্ৰেক্ষিতত জৰুৰীভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সকলোবোৰ পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক এই পৰীক্ষাৰ বাবে মনোনীত মূল মহাবিদ্যালয়ত আজিৰ ভিতৰত গণিত বিষয়ৰ প্ৰশ্নকাকতৰ টোপোলাসমূহ জমা দিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে বুলিও পৰীক্ষা নিয়ন্ত্ৰকগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা খালিস্তানী নেতা তথা সাংসদ অমৃত পাল সিঙৰ সাতজন সহযোগীক আজি ডিব্ৰুগড়ৰ পৰা পঞ্জাৱলৈ স্থানান্তৰ কৰা হৈছে। যোৱা ১৬ মাৰ্চৰ পৰা ডিব্ৰুগড়ত বাহৰ পাতি থকা ২৫ জনীয়া পঞ্জাৱ আৰক্ষীৰ দলে তেওঁলোকক আজি আইনী প্ৰক্ৰিয়া অনুসৰি পঞ্জাৱলৈ লৈ যায়। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা সিং আৰু তেওঁৰ ৯ জন সহযোগীৰ ভিতৰত ৭ জনৰ ওপৰত বলৱৎ থকা এই আইন শিথিল কৰাৰ বাবে পঞ্জাৱ চৰকাৰে সিদ্ধান্ত লৈছিল। আজি পুৱাৰ ভাগত নেতাগৰাকীৰ সহযোগী কুলৱন্ত সিং ধলিৱাল, হৰজিত সিং, গুৰিন্দৰ পাল সিং, বসন্ত সিং, ভগৱন্ত সিং আৰু দলজিত সিং কালচিসহ মুঠ ৭ জন বন্দীক মুকলি কৰি দিয়াৰ পাছত পঞ্জাৱ আৰক্ষীয়ে আনুষ্ঠানিকতা সম্পন্ন কৰি পঞ্জাৱলৈ লৈ যায়। অৱশ্যে অমৃত পাল সিং, পাপল প্ৰীত সিং আৰু ৰবীন্দৰ সিং জোহাল ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰতে বন্দী হৈ থাকিব। তেওঁলোকৰ জিম্মাৰ ম্যাদ অহা মাহত শেষ হ'ব বুলি জানিব পৰা গৈছে যদিও আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা নাই। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে তেওঁলোককো স্থানান্তৰ কৰা হ'ব। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড় কাৰাগাৰত তেওঁলোকৰ বন্দিত্বৰ ম্যাদ উকলি যোৱাৰ পাছত পঞ্জাৱত থানা আক্ৰমণৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰিছিল।

০০০০০

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালে মেডিকেল কলেজ ৰিছাৰ্চ কানেক্ট নামৰ সংস্থাৰ দ্বাৰা চলোৱা গৱেষণাত একেৰাহে দ্বিতীয় বছৰৰ বাবে চিকিৎসা গৱেষণাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী মহাবিদ্যালয় হিচাপে সন্মানিত হৈছে। আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত চিকিৎসা মহাবিদ্যালয়খনক এই সন্মান প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে এই সন্মান গ্ৰহণ কৰে। অনুষ্ঠানত নীতি আয়োগৰ সদস্য, প্ৰখ্যাত চিকিৎসক ডাঃ ভি কে পল, ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ডাঃ বি এন গংগাধৰ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্মান লাভ কৰাৰ বাবে চিকিৎসা প্ৰতিষ্ঠানটোৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

আজি বিশ্ব সাধু কোৱা দিৱস। শিশুৰ সাধু শুনা আৰু সাধু কোৱাৰ অভ্যাস গঢ়ি তুলি এটা সুস্থ সামাজিক বাতাবৰণ সৃষ্টিৰ লক্ষ্যৰে ১৯৯১ চনৰ ২০ মাৰ্চত ছুইডেনত এই দিৱসৰ সূচনা হৈছিল। পৰৱৰ্তী সময়ত ই বিশ্ব সাধু কোৱা দিৱস হিচাপে স্বীকৃতি লাভ কৰে। আজিৰ দিনটোত বিশ্বৰ বিভিন্ন প্ৰান্তত ভিন ভিন ভাষাত প্ৰচলিত সাধু আৰু লোককথাসমূহ সংৰক্ষণৰ কাৰণে শুনা আৰু কোৱাৰ কাৰ্যসূচী আয়োজন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্ততো অসমীয়া লোককৃষ্টিৰ অভিন্ন অংগ সাধু আৰু লোককথাসমূহৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে বিভিন্ন মাধ্যমৰ সহায়ত পৰিৱেশনৰ ব্যৱস্থা কৰা হয়। আজি তেজপুৰতো তেজপুৰ সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ উদ্যোগত সাধু শুনক আহক শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত শোণিতপুৰ জিলা আয়ুক্ত অংকুৰ ভৰালীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০

শিৱসাগৰ পলিটেকনিকৰ অংশকালীন প্ৰবক্তাসকলৰ চাকৰি নিয়মীয়াকৰণৰ দাবীত আজি শিৱসাগৰত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সদস্যসকলে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে এই প্ৰবক্তাসকলৰ ন্যায্য দাবী পূৰণ কৰিবলৈ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ ওচৰত দাবী জনায় বুলি আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনাইছে।

০০০০০

যোৰহাট জিলাৰ মৰিয়নি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ শিশিৰ কুমাৰ বৰঠাকুৰৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। যোৱা কিছুদিন ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা বৰঠাকুৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৫ বছৰ। প্ৰাক্তন অধ্যক্ষগৰাকীৰ মৃত্যুত মৰিয়নি মহাবিদ্যালয়ৰ সমূহ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে শোক প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰে অসমৰ চহকী সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণৰ উদ্দেশ্যে প্ৰণয়ন কৰা বিস্তাৰিত অসম দৰ্শন আঁচনিৰ অধীনত ২০২৫ বৰ্ষৰ বাজেটত ৪২০ কোটি টকা আবণ্টন দিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ ২৫ হাজাৰ নামঘৰক দুটা কিস্তিত ৩ লাখ টকাকৈ প্ৰদান কৰা হ'ব। অহা ৩১ মাৰ্চৰ পূৰ্বে প্ৰথম কিস্তিৰ ধন মোকলাই দিয়া হ'ব।

০০০০০

সমাপ্ত